ISSN 2319-7366

# সংহতি

# SANGHATI

Vol.11, Issue-I, July, 2023

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক ছয়মহীয়া বহুভাষিক

গৱেষণা পত্ৰিকা

A Half Yearly Multilingual Research Journal

(Literature, Culture and Social Science)

মুখ্য সম্পাদক
ড° হৰ কুমাৰ নাথ

সম্পাদকদ্বয়
হিৰণ্য কুমাৰ নাথ
ড° ৰাতুল পাঠক

Chief Editor
Dr. Har Kumar Nath

Editors
Hiranya Kumar Nath
Dr. Ratul Pathak

# সূচীপত্র
# CONTENTS


বিষয় — পৃষ্ঠা/Page

- সম্পাদকীয় — 7
- গোৱালপৰীয়া নৃত্য-গীতত আৰ্য-আৰ্যেতৰ উপাদান
  ড°নীলমোহন ৰায় □ — 13
- Krishna Bhakti In Assam- Change and Continuity
  *Swaswati Borkataki* □ — 19
- উত্তৰ পূব ভাৰতৰ জনজাতিৰ লোকসাহিত্য
  ড° প্ৰণীতা মহন্ত □ ড°স্নিগ্ধা দাস নাথ — 26
- Gender discrimination in Work Place
  *Dr. Jonali Nath* □ — 33
- An Anthropological Insight into the Crisis Rites of the Karbis of Bhogpur, Kamrup District
  *Dr. Jaya Das* □ — 39
- Political Representation of Women in Assam Legislative Assembly Election between 1952 and 2021
  *Monika Doley* □ — 44
- কৰবী ডেকা হাজৰিকাৰ 'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাটিত ফুটি উঠা আধুনিক নাৰী চেতনা
  *প্ৰাৰ্থনা গগৈ* □ — 48
- ৰাভাসকলৰ লোকগীত ঃ ইয়াত প্ৰতিফলিত নাৰী জীৱন
  *বুলুমনি ৰাভা* □ — 56
- Hinduism from the perspective of William Dalrymple as Depicted in " THE AGE OF KALI"
  *Sabina Yasmin* □ — 61
- प्रेमचंद और उनके कहानी एक समीक्षाका लेख
  गायत्री दत्त □ — 63
- An analysis of women trafficking in India
  *Kangkana Devi* □ — 70
- শৈব ধৰ্ম আৰু অবিভক্ত গোৱালপাৰা জিলাৰ শিব মঠ আৰু মন্দিৰসমূহ
  *ইৰা নাথ* □

# উত্তৰ পূব ভাৰতৰ জনজাতিৰ লোকসাহিত্য (ৰাভা জনজাতিৰ লোকসাহিত্যৰ বিশেষ উল্লিখনসহ)

ড° প্ৰণীতা মহন্ত
ড° স্নিগ্ধা দাস নাথ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, বিকালী মহাবিদ্যালয়, ধূপধৰা।
e-mail : pranitamahanta17@gmail.com
e-mail : mrssnigdha1978@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

উত্তৰ পূব ভাৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ আবাস ভূমি। প্ৰাক্-ঐতিহাসিক কালৰে পৰা পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা ভিন্ন-ভিন্ন জাতি-জনগোষ্ঠীৰ লোকে চামে-চামে প্ৰব্ৰজিত হৈ আহি অসমত নিগাজীকৈ বসবাস কৰি আছে। এনেকৈ প্ৰব্ৰজিত হৈ আহি অসমত বসবাস কৰি থকা এটা প্ৰধান জনজাতি হৈছে ৰাভা জনজাতি। উত্তৰ পূব ভাৰতক বিভিন্ন সাংস্কৃতিক সমলেৰে চহকী কৰা জনজাতিসমূহৰ ভিতৰত মঙ্গোলীয় ফৈদৰ ৰাভাসকলো অন্যতম। অসমত বাস কৰি থকা ৰাভা জনজাতি স্বকীয় ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত চহকী। বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ ৰাভা জনজাতিৰ মানুহে যথেষ্ট অৱদান আগবঢ়াই আহিছে। ৰাভা জনজাতি লোকসাহিত্যত অতি চহকী। বিশেষকৈ তেওঁলোকে লোকসাহিত্যৰ অন্তৰ্গত লোকগীতেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁলোকৰ নিজস্ব লোকগীত আৰু লোকনৃত্য আছে। এই লোকগীত আৰু লোকনৃত্যসমূহ বিভিন্ন উৎসৱ-পাৰ্বনৰ সৈতে বিশেষ ভাবে জড়িত। এই লোকনৃত্য আৰু লোকগীতসমূহ আদিতে প্ৰকৃতিৰ কোলাত স্বতঃস্ফূৰ্তভাৱে জনসাধাৰণে পৰিৱেশন কৰিছিল। কিন্তু আধুনিক যুগত খাপ খোৱাকৈ সেইবোৰ মঞ্চলৈ অনাৰ লগে-লগে কিছু পৰিমানে সংশোধিত ৰূপ লৈছে। বৰ্তমান দেখা গৈছে যে জনজাতিটোৰ এই নৃত্যগীতসমূহৰ বিজ্ঞান সন্মত পদ্ধতিগত অধ্যয়নৰ অভাৱ আৰু লগতে সংৰক্ষণৰ অভাৱৰ ফলত লুপ্ত হ'বলৈ ধৰিছে। সময় থাকোতে এইবোৰ উদ্ধাৰ কৰি সংৰক্ষণৰ ব্যৱস্থা নকৰিলে হয়তো কালৰ কৰাল গ্ৰাসত এদিন একেবাৰে লুপ্ত হৈ যাব। এই আলোচনা পত্ৰখনত অসমৰ ৰাভা জনজাতিৰ লোকসাহিত্যৰ অন্তৰ্গত লোকগীতৰ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। মুখ্য সমল আৰু গৌণ সমলৰ ওপৰত নিৰ্ভৰ কৰি বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

সূচক শব্দ ঃ লোকসাহিত্য, লোকগীত, ৰাভা জনজাতি, উৎসৱ-পাৰ্বন, অসম।

**পাতনি ঃ**

উত্তৰ পূব ভাৰতৰ জনজাতি সমূহৰ ভিতৰত অন্যতম এটা জনজাতি হৈছে ৰাভা জনজাতি। ভাৰতৰ সংবিধানত ৰাভা এটা জনজাতি হিচাপে স্বীকৃত। ৰাভা জাতিৰ মানুহ অসম, মেঘালয় আৰু পশ্চিমবংগৰ বিভিন্ন

ভৌগোলিক পৰিৱেশত অধ্যুষিত হৈ আছে। ১৯০৩ চনত প্ৰকাশিত Linguistics Survey of India ৰ Vol. III, pt- II ত (Grierson ৰ) সন্নিবিষ্ট মানচিত্ৰখনতো বৰ্তমান গাৰো পাহাৰ জিলাৰ 'ফুলবাৰী'ৰ পৰা দক্ষিণ কামৰূপৰ 'ৰাণী' নামৰ ঠাইলৈকে গাৰোপাহাৰ আৰু খাচীয়া পাহাৰ জিলাৰ উত্তৰ সীমান্তৱৰ্তী কিছু অঞ্চলক সামৰি এই সুবিস্তৃত অঞ্চল ৰাভা মানুহৰ বাসভূমি হিচাপে সেউজীয়া ৰঙেৰে চিহ্নিত হৈ আছে।[১] অসমত বাস কৰা জনজাতীয় লোকসকলৰ দৰে ৰাভা জনজাতিও মঙ্গোলীয় ফৈদৰ বড়ো গোষ্ঠীৰেই এটি জনজাতি। এওঁলোকে দলে দলে এটাৰ পিছত এটাকৈ অসমৰ উত্তৰ পশ্চিম কোণৰ পৰা আহিছিল। ৰাভা জনগোষ্ঠী সম্পৰ্কে সমালোচকসকলে বিভিন্ন মন্তব্য আগবঢ়াইছে। হ'গচনৰ মতে - ৰাভা সকল গৰিষ্ঠ বড়ো পৰিয়ালৰ লোক।[২] ডেল্টনে উল্লেখ কৰিছে- ৰাভা আৰু হাজংসকল কছাৰী জাতিৰ শাখা আৰু গাৰোসকলৰ লগত সম্বন্ধিত।[৩] পোৰটাৰে ৰাভা জনজাতি সম্পৰ্কে এনেদৰে মন্তব্য প্ৰদান কৰিছে - ৰাভা সকল বড়ো ফৈদৰ এটা শাখা।[৪] ভূৱনমোহন দাসৰ মতেও বড়ো গোষ্ঠীৰে এটা অন্যতম জনজাতি ৰাভা।[৫]

ৰাভা সকল প্ৰধানকৈ আঠোটা খেলত বিভক্ত। ইয়াৰে ভাষা প্ৰৱৰ্তাই ৰখা তিনিটা খেল হ'ল- মায়তাৰি বা মায়তৰীয়া, ৰংদানি বা ৰংদানীয়া আৰু ছোংগা বা কোচা ৰাভা। আনহাতে ৰাভা ভাষা নহয় অথচ ৰাভা ভাষাৰ সমলেৰে সমৃদ্ধ অসমীয়াৰ অন্যতম নৃগোষ্ঠীয় উপভাষা ৰাভামিজৰ প্ৰৱৰ্তক অন্য পাঁচোটা আৰ্যীভূত খেল হ'ল - পাতি, দাহৰি, বিটলীয়া, মাইটাৰী, টোটলা আৰু হানা।[৬] এই জনজাতিসকল অসম, মেঘালয়, আৰু পশ্চিমবংগৰ কোচবিহাৰ, জলপাইগুৰি জিলাৰ বিভিন্ন ভৌগোলিক পৰিৱেশত বসবাস কৰি আছে।

**বিষয়ৰ শিৰোনাম ঃ**

আমাৰ আলোচনা পত্ৰখনৰ বিষয়ৰ শিৰোনাম হৈছে -উত্তৰ পূৰ ভাৰতৰ জনজাতিৰ লোকসাহিত্য (ৰাভা জনজাতিৰ লোকসাহিত্যৰ বিশেষ উল্লিখনসহ)।

**অধ্যয়নৰ ক্ষেত্ৰ ঃ**

ৰাভা জনজাতিৰ মানুহ অসমৰ সকলো জিলাতে কম-বেছি পৰিমাণে বসবাস কৰি আছে যদিও তেওঁলোকৰ ঘাই বসতি স্থল হৈছে গোৱালপাৰা জিলা আৰু কামৰূপ জিলা। সেয়ে অধ্যয়নৰ ক্ষেত্ৰ হিচাপে গোৱালপাৰা আৰু কামৰূপ জিলাক নিৰ্বাচন কৰা হৈছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

আমাৰ আলোচনা পত্ৰখন মুখ্য আৰু গৌণ উৎসৰ পৰা লোৱা সমলৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। মুখ্য উৎসৰ সমলসমূহ ক্ষেত্ৰ অধ্যয়ন কৰি সংগ্ৰহ কৰা হৈছে আৰু গৌণ উৎসৰ সমলসমূহ বিভিন্ন গ্ৰন্থ, আলোচনী, মুখপত্ৰ আদিত প্ৰকাশ পোৱা প্ৰবন্ধ পাতিৰ পৰা সংগ্ৰহ কৰা হৈছে । গতিকে আমাৰ আলোচনা পত্ৰৰ মুখ্য পদ্ধতি দুটা - ক্ষেত্ৰ অধ্যয়ন পদ্ধতি আৰু গ্ৰন্থ অধ্যয়ন পদ্ধতি। বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা পত্ৰখনৰ আলোচনা আগবঢ়াই নিয়া হৈছে।

**বিষয়ৰ আলোচনা ঃ**

**ৰাভা লোকসাহিত্যত লোকগীত ঃ**

লোকসাহিত্যৰ অন্যতম বিভাগ লোকগীতত ৰাভাসকল অধিক চহকী। আদিতে ৰাভাসকলৰ প্ৰতিটো ঠালৰে একেই লোকগীত আছিল বুলি সন্দেহ কৰা হয়। কালক্ৰমত বিভিন্ন সামাজিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ প্ৰভাৱত ৰংদানি, মায়টাৰি আৰু কোচা শাখাৰ বাহিৰে পাতি, দাহৰি আদি শাখাৰ ৰাভাসকলে প্ৰাচীন লোকগীতসমূহৰ বহুতো হেৰুৱাই পেলাইছে। আনকি পাতি, দাহৰি শাখাৰ ৰাভাসকলৰ নিজস্ব ভাষা হেৰুৱাৰ ফলত তেওঁলোকৰ





গীত-মাতৰ ভাষাও আঞ্চলিক অসমীয়াহে। ৰাভা সমাজৰ বিভিন্ন শাখাৰ মাজত প্ৰচলিত লোকগীতসমূহ ঘাইকৈ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি কেইটামান শ্ৰেণীত বিভক্ত কৰা হৈছে-

(ক) পূজা- পাতলৰ গীত
(খ) বিবাহ-শ্ৰাদ্ধাদি সামাজিক অনুষ্ঠানৰ গীত
(গ) প্ৰেম আৰু আসক্তিৰ গীত
(ঘ) কাহিনী গীত
(ঙ) ৰং ৰইচৰ গীত
(চ) কৰ্ম গীত
(ছ) বিবিধ গীত আদি। তলত প্ৰতি শ্ৰেণীৰ বিভিন্ন ধৰণৰ গীতৰ আলোচনাৰ প্ৰয়াস কৰা হৈছে।

**(ক) পূজা -পাতলৰ গীত-**

হিন্দু দেৱ-দেৱীক ৰাভা সকলে পূজা কৰাৰ উপৰিও তেওঁলোকৰ নিজস্ব দেৱ-দেৱী আছে। ৰাভাসকলৰ এটি প্ৰধান পূজা হৈছে খোকচি বা বায়খো পূজা। ৰাভাসকলে এই পূজাত তামাই, দাদুৰি আৰু নাকাটি এই তিনি গৰাকী বীৰাংগনাকে মুখ্য অধিষ্ঠাত্ৰী দেৱীৰূপে জ্ঞান কৰি পূজা-অৰ্চনা কৰে। আগতে সাত দিনলৈকে চলা এই পূজা বৰ্তমান তিনি দিন তিনি ৰাতিলৈ চলে। ওজা-পালি পৰিৱেশনেৰে ভিন্ন লোকগীত গোৱা কিছুমান গীতৰ এফাঁকি তলত উল্লেখ কৰা হ'ল-

'ফই ফই হাছি ছানি কুৰি ছাওৰাতাংও
কুৰি ছানি চিংবা তোবালাতি
কুৰি খেৰে ছানা লাগিয়া।
চিংবা তোখা গান্দা-ছে পুই খেৰেছে
ছাই ৰেঙা লাগিয়া।৭

অসমীয়া ভাৱাৰ্থ- আহা, আহা লৰা ছোৱালীবিলাক। আহা, আমি চাটক- চকোৱাৰ দৰে হাঁহি ধেমালিৰে কাম কৰি খাই যাওঁ। আহা, আমি কাউৰীবোৰৰ দৰে উৰি খেলি জীৱন ধাৰণ কৰোঁ।

ৰাভা সকলে বেমাৰ-আজাৰ অপায়-অমংগল আদিৰ পৰা ৰক্ষা পাবলৈ দেৱ-দেৱীক পূজাসেৱা আগবঢ়ায়। এই পূজা সেৱাত বন্দনাসূচক কিছুমান গীত উচ্চ সুৰে গায়-

অহো! খু'ছামি বাই জাদি
হানাছা বিছাই তইমেন?
কাৰাহা তইমেন?
কামাহা তাইমেন?
.......................

বলিবো তুনুকা -বাদাকো তুনুকা। অৰ্থ-হে সন্ধ্যাৰ দেৱতা, তুমি কত আছা? আমি বলি-বিধান দি তোমাৰ পূজা কৰিছোঁ।

পাতিৰাভাসকলে শিৱদেৱতাক স্মৰণ কৰি সমাজৰ অপায়-অমংগল নাশ হওক বুলি হানাঘোঁৰা সাজি প্ৰতি বহাগত সাত বিহুলৈ কেতিয়াবা গোটেই বহাগ মাহ জুৰি নৃত্য-গীত কৰি গাঁৱে-গাঁৱে ঘুৰি ফুৰে। যথাৰীতি মতে পূজা-সেৱা কৰাৰ পিছত হানাঘোঁৰাত দেও লম্ভা বুলি মানুহে বিশ্বাস কৰে। পূজা শেষ হোৱাৰ পিছত হাত-চাপৰি বজাই বজাই ঘোঁৰাৰ চাৰিওঁফালে নাচি নাচি ঘোঁৰা নচুৱাই। এই সময়ত গোৱা গীত এফাঁকি -

আদা ৰুঙ্তে
হায় হায় কচু ৰুঙ্তে
পকা ধান বান্দৰে খালে।
তিল তিল মাৰঙ্তে
মহ মাৰঙ্তে
খুখলি বিহ উঠিল
চাপৰ মাৰঙ্তে
নদী হাথাঙ্তে
গাৰা ঘুকুঙ্তে।[৮]

ৰাভাসকলৰ লোকবিশ্বাস মতে বীৰা এবিধ অপদেৱতা। এই অপদেৱতাই পালে মানুহজন বলিয়াৰ দৰে হয়। তেতিয়া বীৰাক পূজা দি মন্ত্ৰৰ দ্বাৰা খেদা হয়। ওজাই উচ্চস্বৰে বীবাখেদা মন্ত্ৰ পাঠ কৰে।

**(খ) বিবাহ-শ্ৰাদ্ধাদি সামাজিক অনুষ্ঠানৰ গীত-**

সাধাৰণতে ৰাভাসকলে মৃতকক পুৰি পেলায় বা পুতি থয়। মৃত্যুৰ পিছত পোনপটীয়াকৈ মানুহ জন্ম পাবলৈ কামনা কৰে। সেয়েহে মৃতকৰ ফাৰকান্তিৰ (আদ্য শ্ৰাদ্ধ) দিনা আত্মাক সম্বোধন কৰি আত্মীয় -কুতুম্বসকলে করুণ সুৰে গীত গায়-

ফেনছা নাং নেম্‌কায় ৰাভানি নুকি জনম ৰাখু।
পানফাং-ছান জনম তাৰিখু, ফাৰি বাৰ ছয় ছানো।
তো হাংছিং জনম তাৰাখু, কায়তাং থতকায় ছানো
মাছু মিছি জনম তাৰাখু, কায়তাং হাল বায়নো
চোং কাংকা জনম তাৰাখু, তো বিজান ছানো।

অৰ্থঃ পুনৰ তুমি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিবা। গছ-গছনি, হাঁহ-কুকুৰা, গৰু-মহ ,পোক-পৰুৱা হৈ জন্মলাভ নকৰিবা।[৯]

শ্ৰাদ্ধৰ সময়ত কান্দোনৰ বিশেষ কাৰণ হ'ল তেওঁলোক পুনৰ জন্মৰ বিশ্বাসী। তেওঁলোকৰ বিশ্বাস, আত্মাই মানৱ কুল এৰি অন্য কুলত প্ৰৱেশ কৰি নানা সংঘাত আৰু কষ্ট পাব লগীয়া হ'ব পাৰে। সেইবোৰ সুঁৱৰিয়ে ৰাভা সকলে আত্মীয়ৰ মৃত্যুত বৰকৈ শোক কৰে।

**(গ) প্ৰেম আৰু আসক্তিৰ গীত-**

কৰ্মপটু ৰাভা সকলে কঠোৰ কৰ্মব্যস্ততাৰ মাজেৰে প্ৰণয়মূলক নৃত্য-গীত পৰিৱেশন কৰে। এনেবোৰ গীতৰ জৰিয়তে এক হাস্যমধুৰ পৰিৱেশ সৃষ্টি কৰে লগতে যৌৱনৰ অনুভূতি ল'বলৈ সুবিধা পায়। ৰংদানি, দাহৰি, কোচৰাভা প্ৰত্যেকটো ৰাভা জনজাতিৰ ভাগৰে নিজস্ব প্ৰেম আৰু আসক্তিমূলক গীত আছে। এই গীতবোৰত অবিবাহিত যুৱক যুৱতীৰ পৰস্পৰ মিলনৰ অন্তৰৰ আকুতি প্ৰকাশিত হয়।

বছৰ পিদান ৰিবি দং
ৰাং ফাচি ফুৰা
হুৰ হুৰ হুৰ চে
নাঙ্গি কাথা মানি কি দং চলে।

অৰ্থ- নতুন বছৰ আহিলে পানী পৰে





তোমাৰ কথা ঘনাই মনত পৰে।[১০]

**(ঘ) কাহিনী গীত -**

ৰাভাসকলৰ মাজত সাধুকথা ধৰ্মী বিভিন্ন কাহিনী গীতৰ প্ৰচলন আছে। তেওঁলোকৰ সমাজত প্ৰচলিত বিশেষকৈ নলুৱা-চলুৱাৰ গীত, দদান গীত, ৰন্দনা-চন্দনাৰ গীত ইত্যাদিৰ কথা কব পাৰি।

দাহৰি ৰাভাসকলৰ মাজত পৰম্পৰাগতভাৱে চলি থকা ৰন্দনা-চন্দনাৰ কাহিনী অতি সকৰুণ।ই বিয়োগান্ত কাহিনীগীত। তেওঁলোকে এই কাহিনীক ভিত্তি কৰি করুণ সুৰেৰে গীত পৰিৱেশন কৰে। তলত এফাঁকি গীত দিয়া হল–

অ' ৰন্দনা ও- অ চন্দনা ও
অ নাৰং কি জোৰা ৰায়ে
বিছিনা নিলি নিছমুনি ও-
ৰাখাতে প্ৰোঙে প্ৰোঙে ৰেংজো।

অৰ্থঃ হেৰা ৰন্দনা! হেৰা চন্দনা! তোমালোক দুয়ো কুকুৰ দুটা লগত লৈ নিজৰ নিজৰ ঘৈণীয়েৰাৰ নিবাশ্ৰয়া কৰি থৈ কলৈ যাবলৈ ওলাইছা?[১১]

**(ঙ) ৰং-ৰইছৰ গীত-**

ৰাভাসকলৰ মাজত বহুতো ৰং-ৰইচৰ গীত বিদ্যমান। জীৱনৰ বিভিন্ন মধুময় ক্ষণত তেওঁলোকৰ ডেকা-বুঢ়া; মতা-তিৰোতাই লগ হৈ মদ-ভাত খাই গীত গাই নাচে। এই গীতসমূহক বহুৰঙী বা বগেজাৰী গীত বুলি কোৱা হয়। এই গীত সমূহ ব্যংগ, কৌতুক আৰু প্ৰেম ৰসেৰে পৰিপূৰ্ণ। গীতবোৰৰ জৰিয়তে স্ত্ৰী-পুৰুষৰ বিবিধ বিসংগতি আৰু দুৰ্বলতা প্ৰকাশ পোৱা দেখা যায়।

ক) দূৰৰ পৰা দেখা পাং একবাৰী এৰা
মুই ভালপোৱা আপিতাৰ চকু এটা কেৰা।
খ) সুতা কাতো পেনেনেত
লাহী যতৰত।
গামচা লাগে ফালি লাগে
দিম বতৰত।[১২]

পাতি, বিটলীয়া আৰু দাহৰি ৰাভাসকলৰ মাজত লাখৰ গীতৰ প্ৰচলন আছে। ডেকা ল'ৰাবোৰে গৰু চৰাবলৈ হাবিলৈ যায় আৰু ইজনে সিজনক আক্ৰমণ কৰি লাখৰ গীত গায়। গীতবোৰৰ জৰিয়তে ৰাভাসকলৰ জীৱিকাৰ প্ৰধান বৃত্তি হৈছে জাতি কৃষি। পথাৰত শস্যৰ খেতি , প্ৰকৃতি আৰু গাঁওলীয়া সমাজ জীৱন ৰাভা সকলে ভালপায়। ধন, দৌলত বা আভিজাত্যলৈ চকু নিদি সহজ- সৰল ভাৱে জীৱন নিৰ্বাহ কৰিয়ে সুখী। মদ তেওঁলোকৰ পৱিত্ৰ পানীয়। তেওঁলোকে বিশ্বাস কৰে মদ ঈশ্বৰ প্ৰদত্ত পানীয়। সেয়ে মদ প্ৰস্তুত কৰোঁতে মদৰ ভাতত বাখৰ সনা, বাখৰ প্ৰস্তুত, জোঙাত ভৰোৱা, সংৰক্ষণ কৰাৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰে। মদ প্ৰস্তুতিৰ সময়ত বিশেষকৈ দেৱ-দেৱীক অৰ্পণ কৰা মদ প্ৰস্তুতিৰ সময়ত গোৱা ভিন্ন গীত বিদ্যমান। আপদীয়া চৰাই চিৰিকতি, পোক পৰুৱাই লগতে ভূত-প্ৰেত আদিয়ে মদ যাতে নষ্ট নকৰে সেই উদ্দেশ্যে দেৱতাক কেন্দ্ৰ কৰি গোৱা হয়-

গি'মাৰছিনি থে অ
আং চকো তানা
কায় পাগ্ৰা চাঙে ৰুংদং

দণ্ডা লাগিয়া।

সৰলাৰ্থ- মই ইয়াক সযতনে ৰাখিছোঁ, যাতে ই অতি উৎকৃষ্ট হয়। ইয়াক পান কৰিলে যাতে নিচাত মতলীয়া হয়।[১৩]

(ছ) বিবিধ গীত-

অসমীয়া ভাষী ৰাভা সমাজৰ মাজত ভাৰী গান, মাৰে গান, বেনা গান, পদ্মপুৰাণ গান আদি অৰ্ধ নাটকীয় অনুষ্ঠানৰ গীতৰ প্ৰচলন আছে। ভাৰীগান লোকসমাজৰ মনোৰঞ্জনৰ হেতুকে লোকমনৰ দ্বাৰা ৰচিত আৰু লোকশিল্পীৰ দ্বাৰা অভিনীত এক শ্ৰেণীৰ উৎকৃষ্ট নাট্যানুষ্ঠান। ধৰ্মীয় বিশ্বাসৰ ওপৰত গঢ় লৈ উঠা এই নাট্যানুষ্ঠাত বহুতো গীত বিদ্যমান-

ধুৰাঃ- হে এ নমুৰাম নাৰায়ণ দেববিদ্যাৰ কাৰণ ওহে
নমুৰাম ওহে নমুৰাম প্ৰভুৰ নৰৰূপ হৰি
কিওহে আহে নমুৰাম।।

পদঃ- হে এ প্ৰথমে বন্দিব ৰাম মুক্তি পদ যাৰ নাম ও
হে প্ৰভু ৰাম ও হে প্ৰভু ৰাম প্ৰভুৰ কমললোচন
কিওহে আহে নমুৰাম।[১৪]

পাতিৰাভা আৰু বিটলীয়া ৰাভাসকলৰ মাজত ভালুক-নাচনৰ গীতৰ প্ৰচলন আছে। এই গীত ডেকাল'ৰাবোৰে আঘোণ মাহৰ পূৰ্ণিমাৰ ৰাতি মানুহৰ ঘৰে ঘৰে গাই ফুৰে। তলত এফাঁকি ভালুক-নাচনৰ গীত দিয়া হল-

ওলাওৰে গিৰিঘৰ ,
ছাতি পোহৰ দিয়া,
আমাৰ ভালুক নাচন দে
কোমৰ হেলান দিয়া।[১৫]

**সামৰণি ঃ**

লোকগীতবোৰ জাতীয় ঐতিহ্যৰ সম্বল। এই গীতবোৰৰ পৰা ৰাভাসকলৰ সামাজিক ব্যৱস্থা, চিন্তাধাৰা, লোক বিশ্বাস আদিৰ বিষয়ে অৱগত হ'ব পাৰি। সময় পৰিবৰ্তনশীল। পৰিবৰ্তনশীল সময়ৰ তাৰণাত বৰ্তমান ৰাভাসকলৰ মাজৰ পৰা বহু লোকগীত লুপ্তপ্ৰায় হ'বলৈ ধৰিছে। সময় থাকোতে এই গীতসমূহ সংৰক্ষণ কৰিলে ৰাভা জনজাতিৰ জাতীয় সাহিত্য, জাতীয় ঐতিহ্যৰ ৰক্ষা পৰিব।

***পাদটীকা ঃ***

১। ৰাজেন ৰাভা ঃ ৰাভা জনজাতি, পৃষ্ঠা - ১৯
২। Xodgson- Miscellaneous Essays relating to the Indian subjects, page-105
৩। Deltan - Descriptive Ethology of Bangal, page- 89
৪। Deltan - Descriptive Ethology of Bangal, page- 92
৫। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য (সম্পা)ঃ অসমৰ জনজাতি, পৃষ্ঠা- ১২৯
৬। ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা সমাজ আৰু সংস্কৃতি, পৃষ্ঠা- ৭





৭। ৰুদ্ৰসিং ৰাভা (সম্পা)- আগয়ছিনি, স্মাৰক গ্ৰন্থ ,পৃষ্ঠা- ৮৫
৮।সংবাদদাতা - শ্ৰী ভুবিন ৰাভা, বয়স ৮০, লোহাৰঘাট, মানিকপুৰ, দক্ষিণ কামৰূপ।
৯। ৰাজেন ৰাভাঃ উক্ত গ্ৰন্থ, পৃষ্ঠা- ১৪৬
১০। সংবাদদাতা- শ্ৰী ৰূপা ৰাভা, বয়স ৩৪, দুধনৈ, গোৱালপাৰা।
১১। ৰাজেন ৰাভাঃ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১১।
১২। সংবাদদাতা - শ্ৰী দীপিকা ৰাভা, বয়স ৪৫, টিপলাই, গোৱালপাৰা।
১৩। ৰাজেন ৰাভ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১৫৯
১৪। ড° এম গোপাল সিং - অসমৰ পৰিৱেশ্য কলা ভাৰীগান, পৃষ্ঠা- ৮
১৫। সংবাদদাতাঃ শ্ৰীদিগন্ত ৰাভা, বয়স ৩৪, দুধনৈ, গোৱালপাৰা।

***সহায়ক গ্ৰন্থঃ***


- ভট্ৰাচাৰ্য, ড° প্ৰমোদ চন্দ্ৰ (সম্পা)ঃ অসমৰ জনজাতি,অসম সাহিত্য সভা, তৃতীয় সংস্কৰণ, ২০০৮
  ৰাভা, হাকাচাম উপেন ঃ ৰাভা সমাজ আৰু সংস্কৃতি, এন এল পাব্লিকেশ্বন, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০১০
- ৰাভা, ললিত চন্দ্ৰ ঃ ভাষা সাহিত্য সংস্কৃতি সমীক্ষা, অনুস্কা পাব্লিকেশ্বন, বকো, প্ৰথম প্ৰকাশ ২০১৬
- ৰাভা, ভুবিন ঃ ৰাভা জনজাতি আৰু সংস্কৃতিৰ আভাস", ছয়গাঁও, ৰামপুৰ, প্ৰথম প্ৰকাশ, ২০১২
- ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, বীণা লাইব্ৰেৰী, পাণ বজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৭৪
- ৰাভা, ৰাজেন ঃ ৰাভা লোকগীত, ৰাজেন ৰাভা স্মাৰক ন্যাস, দুধনৈ, গোৱালপাৰা, প্ৰথম প্ৰকাশ, ২০০১
- ৰাভা, বীৰেন ঃ বহুৰঙী গীত, ৰাভা জনজীৱনৰ প্ৰতিচ্ছবি, শিংৰা, কামৰূপ, প্ৰথম প্ৰকাশ, ২০০১
- ৰাভা, মুকুল ঃ লোকসংস্কৃতিৰ সুৱাস বিচাৰি, অসম জনজাতীয় গৱেষণা প্ৰতিষ্ঠান অসম, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৫
- ৰাভা, মলিনা দেৱী ঃ অসমীয়া আৰু ৰাভা সমাজ সংস্কৃতিৰ স্বৰূপ, ধুপধৰা, প্ৰথম প্ৰকাশ, ১৯৯১
- সিংহ , ড° এম গোপাল - অসমৰ পৰিৱেশ্য কলা ভাৰীগান, অসম বুক লাইফ, প্ৰথম প্ৰকাশ, ২০১৪
- Bordoloi B.N, Thakur Sharma and M.C Saikia (ed) : Tribes of Assam, part I, (sted), 1987
- Das, Bhuban ch. : Ethnic Affinities of the Rabhas, 1960
- Grierson, G.A : Linguistic survey of India, (Vol-III, part - I) 2nd ed. 1967